NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-04-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

০০০০০০০

১। উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, কৃত্ৰিম বুদ্ধিমত্তা আৰু উন্নত বিশ্লেষণাত্মক ব্যৱস্থা আদিৰ দৰে নতুন প্ৰযুক্তিসমূহ কৰ শাসন ব্যৱস্থাৰ উন্নীতকৰণৰ লগতে কৰফাঁকিৰ হাৰ হ্ৰাস কৰোৱাত সহায়ক হৈছে।

২। প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লক্ষ্যৰে কাইলৈ সন্ধিয়া গুৱাহাটীত উপস্থিত হ'ব।

৩। দেশৰ বিধি বলবৎকাৰী সংস্থাসমূহে আসন্ন লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্য্যায়ৰ পূৰ্বে ৪ হাজাৰ ৬৫০ কোটিৰো অধিক ধনৰাশি জব্দ কৰিছে।

৪। ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ NHAIএ আজি নতুন দিল্লীত পৰিৱেশ অনুকূল প্ৰশমন ব্যৱস্থাকে ধৰি পৰিৱেশ আৰু অৰণ্য ৰক্ষা বিষয়ক এখন দিনজোৰা ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰিছে।

***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম চিন্নাস্বামী ষ্টেডিয়ামত কিছু সময়ৰ পাছতে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে কৈছে যে, কৃত্ৰিম বুদ্ধিমত্তা আৰু উন্নত বিশ্লেষণাত্মক ব্যৱস্থা আদিৰ দৰে নতুন প্ৰযুক্তিসমূহ কৰ শাসন ব্যৱস্থাৰ উন্নীতকৰণৰ লগতে কৰফাঁকিৰ হাৰ হ্ৰাস কৰোৱাত সহায়ক হৈছে। ইয়াৰ ফলস্বৰূপে কৰদাতাসকলৰ কৰ ব্যৱস্থাটোৰ প্ৰতি আস্থা বৃদ্ধি পাইছে আৰু কৰ আদায়ৰ প্ৰতি তেওঁলোক দায়িত্বশীল হৈছে। শ্ৰীধনখড়ে আজি নাগপুৰত অৱস্থিত ৰাষ্ট্ৰীয় প্ৰত্যক্ষ কৰ একাডেমীত ভাৰতীয় ৰাজহ সেৱা আই আৰ এছৰ ৭৬ সংখ্যক বেট্‌ছৰ বিষয়াসকলৰ প্ৰশিক্ষণ সামৰণি কাৰ্যসূচীত অংশগ্ৰহণ কৰি এইদৰে প্ৰকাশ কৰে। অনুষ্ঠানত মহাৰাষ্ট্ৰৰ ৰাজ্যপাল ৰমেশ বেইছ আৰু কেন্দ্ৰীয় প্ৰত্যক্ষ কৰ পৰিষদ চি বি ডি টিক অধ্যক্ষ নীতিন গুপ্তা উপস্থিত থাকে। উল্লেখযোগ্য যে, ভাৰতীয় ৰাজহ সেৱাৰ এই বেটছটোত মুঠ ৫৮ গৰাকী বিষয়া আছে আৰু তাৰে ২৪ গৰাকী মহিলা। এই বিষয়াসকলে তেওঁলোকৰ ১৬ মহীয়া প্ৰশিক্ষণ কাৰ্য্যসূচীত কৰ

শাসনৰ বিভিন্ন দিশৰ ওপৰত প্ৰশিক্ষণ লাভ কৰে। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আজিৰ অনুষ্ঠানতে প্ৰশিক্ষণৰ সময়ছোৱাত বিভিন্ন বিষয়ত উল্লেখনীয় পাৰদৰ্শিতা প্ৰদৰ্শন কৰা বিষয়াসকলক সম্বৰ্ধনা জনায়।

০০০০০০০

প্ৰধানমন্ত্ৰী তথা জ্যেষ্ঠ বিজেপি নেতা নৰেন্দ্ৰ মোদীয়ে নিৰ্বাচনী প্ৰচাৰ চলোৱাৰ লক্ষ্যৰে কাইলৈ সন্ধিয়া গুৱাহাটীত উপস্থিত হ'ব। বৰঝাৰ বিমান বন্দৰত প্ৰধানমন্ত্ৰীগৰাকীক দলীয় নেতা-কৰ্মীসকলৰ লগতে ৰাইজে আদৰণি জনাব। বিমান বন্দৰৰ পৰা পোনে পোনে তেওঁ কইনাধৰালৈ ৰাওনা হ'ব। শ্ৰী মোদীৰ এই কাৰ্যসূচীৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী মহানগৰীত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। তেওঁ পৰহিলৈ বৰপেটা আৰু দৰং-ওদালগুৰি লোকসভা সমষ্টিৰ প্ৰাৰ্থী দুগৰাকীৰ হৈ নলবাৰীত নিৰ্বাচনী প্ৰচাৰত অংশ ল'ব।

আনহাতে, কংগ্ৰেছ নেত্ৰী প্ৰিয়ংকা গান্ধীয়ে কাইলৈ যোৰহাটত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ কথা। তেওঁ যোৰহাট সমষ্টিৰ বিৰোধী মিত্ৰজোঁটৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ তিতাবৰৰ পৰা যোৰহাটলৈ পদযাত্ৰাত অংশগ্ৰহণ কৰি প্ৰচাৰ চলাব।

ইপিনে, তৃণমূল কংগ্ৰেছৰ সভানেত্ৰী তথা পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে এই সপ্তাহতে বৰাক উপত্যকাত নিৰ্বাচনী প্ৰচাৰত অংশ লোৱাৰ সম্ভাৱনা আছে।

০০০০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, এন ডি এ চৰকাৰে প্ৰতিটো ক্ষেত্ৰতে দেশৰ বিকাশৰ বাবে প্ৰয়াস চলাই আহিছে। তামিলনাডুৰ তিৰুনেলভেলীত আজি নিৰ্বাচনী প্ৰচাৰ অভিযানত অংশগ্ৰহণ কৰি শ্ৰীমোদীয়ে বিজেপি চৰকাৰে দিয়া বিভিন্ন আশ্বাস সন্দৰ্ভত আলোকপাত কৰে। ডি এম কে আৰু কংগ্ৰেছে ড্ৰাগছ আৰু দুৰ্নীতিক প্ৰশ্ৰয় দি আহিছে বুলি তেওঁ অভিযোগ কৰে। সেয়েহে তেওঁলোকক ক্ষমতাৰ পৰা আঁতৰত ৰখাৰ বাবে জনসাধাৰণে কঠোৰ পদক্ষেপ গ্ৰহণ কৰা উচিত বুলি তেওঁ লগতে মন্তব্য কৰে।

০০০০০০০

দেশৰ বিধি বলবৎকাৰী সংস্থাসমূহে আসন্ন লোকসভা নিৰ্বাচনৰ প্ৰথম পৰ্য্যায়ৰ পূৰ্বে ৪ হাজাৰ ৬৫০ কোটিৰো অধিক ধনৰাশি জব্দ কৰিছে। ভাৰতীয় নিৰ্বাচন আয়োগে প্ৰকাশ কৰিছে যে, ২০১৯ চনৰ লোকসভা নিৰ্বাচনত সামগ্ৰিকভাৱে জব্দ হোৱা ৩ হাজাৰ ৬৭৫ কোটিৰো অধিক টকাৰ তুলনাত এইবাৰৰ প্ৰথম পৰ্য্যায়ৰ পূৰ্বেই জব্দ হোৱা ধনৰ পৰিমাণ ভালেখিনি বৃদ্ধি পাইছে। জব্দ হোৱা ধনৰ প্ৰায় ৪৫ শতাংশ ড্ৰাগছ আৰু আন নিচাজাতীয় সামগ্ৰীৰ সৈতে জড়িত বুলিও আয়োগে প্ৰকাশ কৰিছে।

যোৱা ১ মাৰ্চৰ পৰা প্ৰতিদিনে প্ৰায় এশ কোটি টকা জব্দ কৰি অহা হৈছে বুলিও আয়োগে উল্লেখ কৰে। সুচিন্তিত পৰিকল্পনা, বিভিন্ন বিধি বলবৎকাৰী সংস্থাসমূহৰ মাজত থকা সুসমন্বয় আৰু নাগৰিকৰ সহযোগিতাৰ বাবেই এয়া সম্ভৱ হৈছে বুলি আয়োগে প্ৰকাশ কৰিছে।

আয়োগে জানিবলৈ দিয়া অনুসৰি, স্বচ্ছ, নিকা আৰু দুৰ্নীতিমুক্ত লোকসভা নিৰ্বাচন অনুষ্ঠিত কৰাৰ প্ৰতি ভাৰতীয় নিৰ্বাচন আয়োগ প্ৰতিশ্ৰুতিবদ্ধ আৰু অবৈধ ধনৰ বিৰুদ্ধে আয়োগৰ স্থিতি পৰৱৰ্তী সময়তো কঠোৰ হৈ থাকিব।

০০০০০০০

নতুন দিল্লীত আজি সন্ত্ৰাসবাদ প্ৰতিহত বিষয়ক ভাৰত-ফ্ৰান্স যুটীয়া কাৰ্য্যকৰী গোটৰ ষষ্ঠদশ বৈঠক অনুষ্ঠিত হয়। বৈঠকত দুয়োপক্ষই সন্ত্ৰাসবাদীসকলে ব্যৱহাৰ কৰা নতুন আৰু উন্নত প্ৰযুক্তি, সন্ত্ৰাসবাদী কাৰ্য্য-

কলাপৰ বাবে ইণ্টাৰনেটৰ অপ-ব্যৱহাৰ, মৌলবাদ তথা সন্ত্ৰাসবাদী গোটক বিত্তৰ যোগান আদিকে ধৰি সন্ত্ৰাসবাদ প্ৰতিহত কৰাৰ প্ৰত্যাহ্বানসমূহৰ মূল্যায়ণ কৰা হয়। বিদেশ মন্ত্ৰালয়ে কৈছে যে, দুয়ো পক্ষই লগতে নিজ নিজ অঞ্চলত সন্ত্ৰাসবাদৰ ভাবুকি সন্দৰ্ভতো মত বিনিময় কৰে। বিদেশ মন্ত্ৰালয়ৰ যুটীয়া সচিব কে ডি দেৱালে ভাৰতীয় প্ৰতিনিধি দলটোক নেতৃত্ব দিয়াৰ বিপৰীতে ফ্ৰান্সৰ সন্ত্ৰাসবাদ বিৰোধী আৰু সংগঠিত অপৰাধৰ বিশেষ ৰাষ্ট্ৰদূত অলিভিয়াৰ কেৰণে ফ্ৰান্সৰ প্ৰতিনিধি দলটোৰ নেতৃত্ব বহন কৰে। দুয়োপক্ষই লগতে তথ্যৰ আদান-প্ৰদান, ক্ষমতা বিকাশ, প্ৰশিক্ষণ কাৰ্য্যসূচী তথা অনুশীলন আৰু বহুপাক্ষিক ক্ষেত্ৰত সহযোগিতাৰ জৰিয়তে সন্ত্ৰাসবাদ বিৰোধী অভিযান শক্তিশালীকৰণৰ প্ৰয়োজন সন্দৰ্ভতো গুৰুত্ব আৰোপ কৰে।

0000000

ভাৰতৰ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ NHAIএ আজি নতুন দিল্লীত পৰিৱেশ অনুকূল প্ৰশমন ব্যৱস্থাকে ধৰি পৰিৱেশ আৰু অৰণ্য ৰক্ষা বিষয়ক এখন দিনজোৰা ৰাষ্ট্ৰীয় কৰ্মশালাৰ আয়োজন কৰিছে। এই কৰ্মশালাৰ উদ্দেশ্য হৈছে - পৰিৱেশ অনুকূল ব্যৱস্থা প্ৰয়োগেৰে  দেশৰ ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি সম্প্ৰসাৰণৰ বাবে সবল ভেঁটি স্থাপন কৰা। কৰ্মশালাত সমগ্ৰ দেশতে পৰিৱেশ অনুকূল ঘাইপথ আন্তঃগাঁথনি তৈয়াৰ কৰাৰ বাবে প্ৰশমন ৰণনীতি বিষয়ক বিভিন্ন বিষয় লৈ আলোচনা কৰা হৈছে।

এই উপলক্ষে দিয়া ভাষণত NHAIৰ অধ্যক্ষ সন্তোষ কুমাৰ যাদৱে বহনক্ষম আন্তঃগাঁথনি তৈয়াৰ কৰাৰ বাবে প্ৰাধিকৰণৰ প্ৰতিশ্ৰুতিৱদ্ধতাৰ কথা দোহাৰি বন্যপ্ৰাণীৰ বিচৰণভূমি, অমৃত সৰোবৰ, গছপুলি ৰোপণ অভিযানৰ লগতে সেউজ ৰাষ্ট্ৰীয় ঘাইপথ নিৰ্মাণত পেলনীয়া সামগ্ৰী ব্যৱহাৰৰ লেখিয়া উদ্যমসমূহত আলোকপাত কৰে। কৰ্মশালাৰ মূল ভাষণ প্ৰদান কৰি বন বিভাগৰ সঞ্চালক প্ৰধান জিতেন্দ্ৰ কুমাৰে বিভাগসমূহৰ মাজত সহযোগিতা বৃদ্ধিৰে পৰিকল্পনা প্ৰক্ৰিয়া আগুৱাই নিয়াৰ গুৰুত্ব সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

ইপিনে, পথ, পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সচিব অনুৰাগ জৈনে সবিশেষ প্ৰকল্প প্ৰতিবেদন তৈয়াৰ কৰাৰ লগতে সমগ্ৰ দেশতে বহনক্ষম আন্তঃগাঁথনি বিকাশৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী গতিশক্তিৰ পৰিকাঠামো ব্যৱহাৰ কৰি সমন্বিত পদক্ষেপ গ্ৰহণৰ প্ৰয়োজন সন্দৰ্ভত গুৰুত্ব আৰোপ কৰে। পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় তথা পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ কেইবাগৰাকীয়ো বিষয়া আৰু অংশীদাৰে এই কৰ্মশালাত অংশগ্ৰহণ কৰে।

0000000

ভাৰতীয় সেনাই আজি পঞ্চম ভাৰত-উজবেকিস্তান যুটীয়া সামৰিক অনুশীলন ডাষ্টলিকত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে ৰাওনা হৈছে। উজবেকিস্তানৰ টাৰমেজত আজিৰে পৰা আৰম্ভ হোৱা এই সামৰিক অনুশীলনৰ অহা ২৮ এপ্ৰিলত সামৰণি পৰিব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে, এই অনুশীলনত ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহৰ ৬০ গৰাকী সদস্যই অংশগ্ৰহণ কৰাৰ বিপৰীতে উজবেকিস্তানৰ ১০০ গৰাকী সদস্যই ভাগ লৈছে। পাৰ্বত্য আৰু নগৰীয়া অঞ্চলসমূহত যুটীয়া অভিযান ৰূপায়ণৰ বাবে সামৰিক সহযোগিতা আৰু যুটীয়া ক্ষমতা বৃদ্ধি কৰাই হৈছে এই অনুশীলনৰ মূল উদ্দেশ্য। এই অনুশীলনে দুয়োপক্ষকে নিজৰ সৰ্বশ্ৰেষ্ঠ অনুশীলন আৰু আন্তঃকাৰ্য্যকাৰিতাৰ আদান-প্ৰদানত সহায় কৰিব। উল্লেখযোগ্য যে, ভাৰত আৰু উজবেকিস্তানত এই ডাষ্টলিক অনুশীলন প্ৰতি বছৰে সলনাসলনিকৈ আয়োজন কৰি অহা হৈছে।

0000000

জম্মু-কাশ্মীৰৰ শ্ৰী অমৰনাথ বাৰ্ষিক যাত্ৰা অহা ২৯ জুনৰ পৰা আৰম্ভ হৈ ১৯ আগষ্টত সামৰণি পৰিব। শ্ৰী অমৰনাথ মন্দিৰ পৰিষদে ঘোষণা কৰিছে যে, ৫২ দিনীয়া এই তীৰ্থ যাত্ৰাৰ পঞ্জীয়ন আজিৰে পৰা মুকলি

কৰা হৈছে। বাৰ্ষিক অমৰনাথ যাত্ৰা দুটা পথেৰে কৰিব পাৰিব। এই পথ দুটা হ'ল- অনন্তনাগ জিলাৰ পৰম্পৰাগত ৪৮ কিলোমিটাৰ দৈৰ্ঘ্যৰ নুনৱান-পেহেলগাম পথ আৰু গান্দেৰবাল জিলাৰ ১৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ বালতাল পথ।

হিমবাহ আৰু বৰফেৰে আগুৰি থকা অনন্তনাগ জিলাৰ লিড্ডাৰ উপত্যকাত অৱস্থিত আৰু বছৰজুৰি বৰফেৰে আবৃত হৈ থকা অমৰনাথ গুহালৈ এয়া হৈছে হিন্দু তীৰ্থ যাত্ৰীসকলৰ বাবে বাৰ্ষিক তীৰ্থ যাত্ৰা। এই তীৰ্থস্থান ভগৱান শিৱৰ বাসস্থান বুলি বিশ্বাস কৰা হয়। বাৰ্ষিক অমৰনাথ যাত্ৰা শাওণ মাহৰ নিৰ্দিষ্ট দিনত পেহেলগাম আৰু বালতালৰ পৰা আৰম্ভ হয়। এই বছৰৰ অমৰনাথ যাত্ৰা নিৰ্ধাৰিত দিনত আৰম্ভ হ'ব আৰু ভক্তসকলে অমৰনাথ যাত্ৰাৰ অফিচিয়েল ৱেবচাইটত এই যাত্ৰাৰ পঞ্জীয়ন প্ৰ-পত্ৰ আৰু চিকিৎসা প্ৰ-পত্ৰ পূৰ্ণ কৰিব পাৰিব।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম চিন্নাস্বামী ষ্টেডিয়ামত কিছু সময়ৰ পাছতে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু, ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব। এতিয়ালৈকে অনুষ্ঠিত খেলসমূহৰ ওপৰত ভিত্তি কৰি ছানৰাইজাৰ্ছ হায়দৰাবাদ ৬ পইণ্টেৰে পইণ্ট তালিকাৰ চতুৰ্থ স্থানত থকাৰ বিপৰীতে মাত্ৰ এখন খেলত জয়লাভেৰে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু তালিকাৰ অন্তিম স্থানত আছে।

০০০০০০০

**সমাপ্ত**